অধ্যায় ১ : অসমীয়া গদ্য-সাহিত্যৰ ইতিহাসঃ পুৰণি ভাগ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ গদ্যঃ অৱধাৰণা
১.৪ অসমীয়া গদ্য-সাহিত্যৰ ইতিহাস
১.৪.১ অসমীয়া মন্ত্র সাহিত্যৰ গদ্য
১.৪.২ অঙ্কীয়া নাটৰ গদ্য
১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৬ অধিক জানিবলৈ
১.৭ অগ্রগতিৰ খতিয়ান [কেৱল ৰূপৰেখা]
১.৮ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গদ্যৰ ব্যুৎপত্তি, স্বৰূপ, সংজ্ঞা আৰু শ্রেণীবিভাজন সম্পর্কে ধাৰণা কৰিব পাৰিব।
- অসমীয়া গদ্য-সাহিত্যৰ ইতিহাস সম্বন্ধে অৱগত হ'ব পাৰিব।
- অসমীয়া গদ্য-সাহিত্যৰ আৰম্ভণিৰ কালছোৱাৰ বিষয়ে জানিব পাৰিব।
- অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশত গদ্য-সাহিত্যৰ অৱস্থান সম্পর্কে ধাৰণা কৰিব পাৰিব।
- অসমীয়া গদ্য-সাহিত্যৰ প্রাৰম্ভিক অৱস্থাৰ মন্ত্রপুথিৰ গদ্য আৰু অঙ্কীয়া নাটৰ গদ্যৰ বিষয়ে আৱশ্যকীয় আলোচনা আগবঢ়াব পাৰিব।
- শঙ্কৰদেৱ প্রৱর্তিত অঙ্কীয়া নাটৰ গদ্যৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়াব পাৰিব।
- মন্ত্রপুথিৰ গদ্য আৰু অঙ্কীয়া নাটৰ গদ্যৰ বিষয়ে তুলনামূলক আলোচনা কৰিব পাৰিব।
- অঙ্কীয়া নাটৰ গদ্যই অসমীয়া গদ্য-সাহিত্যৰ সৃষ্টিত কি ধৰণে অৱদান আগবঢ়াইছিল সেই বিষয়ে আলোকপাত কৰিব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া দ্বিতীয় ষাণ্মাসিকৰ অন্তর্গত দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া গদ্য সাহিত্য'-ৰ এইটো প্রথম অধ্যায়। আপোনাৰ অধ্যয়নৰ অন্তর্গত এই পাঠটোৰ শিৰোনাম হৈছে 'অসমীয়া গদ্য-সাহিত্যৰ প্রাৰম্ভিক স্বৰূপ'। 'অসমীয়া গদ্য' শব্দযুগলে আমাৰ অসম ৰাজ্যত প্রচলিত ভাৰতীয় আর্য ভাষা-সম্ভূত নব্য ভাৰতীয় আর্য ভাষাটোৰ এনে এক ভাষিক ৰূপক বুজায়, যি ৰূপ আৰম্ভণিৰ সময়ৰ পৰা বর্তমান সময়লৈকে ভাব প্রকাশৰ মাধ্যম হিচাপে আৰু লিখা-মেলাৰ ক্ষেত্রত ব্যৱহৃত হৈ আহিছে।

পাঠটোৰ শিৰোনামৰ পৰাই বুজিব পাৰি যে ইয়াত অসমীয়া গদ্যৰ আৰম্ভণিৰ সময়ছোৱাৰ বিষয়ে আলোচনা কৰা হ'ব। অসমীয়া কাব্যৰ দৰে গদ্যৰো এক সমৃদ্ধ, ঐতিহ্যময় আৰু গৌৰৱময় পুৰণি ইতিহাস আছে। এই পাঠত সেই প্ৰাচীন ইতিহাসৰ উৎস বিচাৰি অসমীয়া গদ্যৰ উদ্ভৱকালীন অৱস্থাৰ স্বৰূপ নিৰ্ণয় কৰাৰ চেষ্টা কৰা হ'ব। এই বিষয়টোৱেই আলোচ্য পাঠৰ মূল প্ৰতিপাদ্য বিষয়। ইয়াৰ লগতে প্ৰাসংগিকভাৱে গদ্যৰ স্বৰূপ সম্পৰ্কেও এক সাধাৰণ আভাস দাঙি ধৰা হ'ব। 'অসমীয়া গদ্য' নামটোৱে অসমীয়া ভাষাৰ কথ্য আৰু লিখিত ৰূপৰ সামগ্ৰিক পৰিচয় বহন কৰে। এই নামটোৰ ভিতৰত অসমীয়া ভাষাৰ আৰম্ভণিৰ সময়ৰ পৰা সাম্প্ৰতিক সময়লৈকে সকলো যুগৰ ভাষিক ৰূপ অন্তৰ্ভুক্ত হৈ আছে। উদাহৰণস্বৰূপে, ইয়াৰ প্ৰাৰম্ভিক স্তৰ, মধ্য স্তৰ, আধুনিক স্তৰ আৰু সাম্প্ৰতিক স্তৰৰ কথা উল্লেখ কৰিব পাৰি। এই সকলো স্তৰৰ ভিতৰত এই পাঠত কেৱল অসমীয়া গদ্যৰ উন্মেষকাল আৰু তাৰ বিকাশৰ ধাৰাৰ বিষয়েহে আলোচনা কৰা হ'ব।

১.৩ গদ্যঃ অৱধাৰণা

ব্যুৎপত্তিমূলক অৰ্থত 'গদ্য' শব্দটোৱে উক্তি বা কথনক বুজায় (গদ্– উক্তিকৰণ য়ৎ = গদ্য)। গদ্য হৈছে মানুহৰ ভাব, অনুভূতি, চিন্তা আৰু মনন প্ৰকাশৰ এক শক্তিশালী মাধ্যম। অৱশ্যে মানুহে নিজৰ এই ভাব, অনুভূতি, চিন্তা আৰু মনন পদ্য বা কবিতাৰ জৰিয়তেও প্ৰকাশ কৰিব পাৰে। সেই অৰ্থত কাব্য আৰু গদ্য দুয়োটাই মানৱ সংস্কৃতিৰ অপৰিহাৰ্য উপাদান। কিন্তু কাব্য আৰু গদ্যৰ মাজত যথেষ্ট পাৰ্থক্য দেখা যায়। এই পাৰ্থক্য কেতিয়াবা আৱয়বিক বা গাঁথনিগত দিশত হ'ব পাৰে, কেতিয়াবা উপাদানগত দিশতো হ'ব পাৰে। আনহাতে, ভাব প্ৰকাশৰ মাধ্যম হিচাপে ইয়াৰ ব্যৱহাৰিক উপযোগিতাৰ ক্ষেত্ৰতো দুয়োটাৰ মাজত ভিন্নতা লক্ষ্য কৰা যায়। সাৰ্থকভাৱে ক'বলৈ গ'লে, কাব্য আৰু গদ্যৰ মাজৰ পাৰ্থক্য কেৱল আকৃতিগত নহয়; বহু ক্ষেত্ৰত এই পাৰ্থক্য প্ৰকৃতিগতও।

গদ্যৰ সংজ্ঞাগত ধাৰণা আৰু স্বৰূপ উপলব্ধি কৰিবলৈ সমালোচকসকলে মূলতঃ কবিতা আৰু গদ্যৰ মাজৰ পাৰ্থক্যক ভিত্তি কৰি আলোচনা আগবঢ়োৱা দেখা যায়। সাধাৰণ অৰ্থত কবিতা হৈছে এক প্ৰকাৰৰ ছন্দোবদ্ধ ৰচনা। পাশ্চাত্যত ইয়াৰ এটি সংজ্ঞা এনেদৰে দিয়া হৈছে— 'Poetry is a metrical composition'। ছন্দৰ নিয়ন্ত্ৰণত ৰচিত হোৱাৰ বাবে কবিতা বা কাব্যই মানুহৰ চিন্তা আৰু অনুভূতিক লীলায়িত গতিত প্ৰকাশ কৰে। ভাবৰ নিয়মিত লহৰ আৰু সচেতনভাৱে নিৰ্বাচিত শব্দৰ সহায়ত ই পাঠক বা শ্ৰোতাৰ মনত বিশেষ আৱেগ আৰু সঁহাৰিৰ সৃষ্টি কৰে। আনহাতে, গদ্যৰ সহায়তো মানৱ চিন্তা আৰু অনুভূতিৰ ভাষিক প্ৰকাশ ঘটে। কিন্তু গদ্য কাব্য বা কবিতাৰ দৰে আক্ষৰিক অৰ্থত ছন্দোবদ্ধ আৰু মাত্ৰানিয়ন্ত্ৰিত নহয়।

সংস্কৃত আলংকাৰিকসকলে গদ্যৰ স্বৰূপ নিৰ্ধাৰণ কৰিবলৈ গৈ ইয়াক কাব্যৰ বিপৰীতধৰ্মী ৰূপ হিচাপে বৰ্ণনা কৰিছে। আলংকাৰিক বিশ্বনাথে তেওঁৰ *সাহিত্যদৰ্পণ* নামৰ আলংকাৰশাস্ত্ৰৰ গ্ৰন্থত গদ্যক 'বৃত্তবন্ধোজ্ঝিতং' বুলি অভিহিত কৰিছে। একেদৰে আলংকাৰিক দণ্ডীয়েও তেওঁৰ *কাব্যাদৰ্শ* গ্ৰন্থত গদ্য ৰচনাক 'অপাদপদ সন্তানো' অৰ্থাৎ ছন্দবিহীন পদৰাশিৰ বিস্তাৰিত প্ৰয়োগ বুলি মন্তব্য কৰিছে। অভিধানসমূহতো গদ্যৰ অৰ্থ ব্যাখ্যা কৰিবলৈ এনে ধৰণৰ সংজ্ঞাই ব্যৱহাৰ কৰা হৈছে। *চন্দ্ৰকান্ত অভিধান*ত গদ্যক 'ছন্দেৰে নিলিখা ভাষা; কথা কোৱাৰ ভাষাৰে লিখা ৰচনা' বুলি ব্যাখ্যা কৰা হৈছে।

হেমকোষত ইয়াৰ অর্থ 'ছন্দ নথকা ৰচনা; শিল, ধাতু বা কাঠৰ বস্তুৰ ওপৰত আখৰ কাটি লিখা, সেই বস্তুৰ নির্মাণকর্তা আৰু তাৰ প্রয়োজন আদিৰ বিৱৰণ' বুলি দিয়া হৈছে। *শব্দাইঘাট অভিধানত* 'ছন্দ নথকা ৰচনা' আৰু *সামগ্রিক অসমীয়া শব্দকোষত* 'ছন্দ নথকা কথা বা ৰচনা' বুলি গদ্যৰ অর্থ নিৰূপণ কৰা হৈছে।

গদ্য শব্দৰ ইংৰাজী 'Prose'। ইংৰাজী অভিধানত এই শব্দটিৰ অর্থ দিয়া হৈছে এনেদৰে– "The ordinary form of written or spoken language, without rhyme or meter; speech or writing that in not poetry" (websiter'ৰ New World Dictionary), অর্থাৎ, ছন্দত নোহোৱা লিখিত বা কথিত ভাষাই গদ্য।

গদ্য সম্পর্কে উল্লিখিত এই মতামতসমূহে গদ্যৰ প্রকৃত সংজ্ঞা সম্পূর্ণ আৰু অর্থৱহভাৱে প্রকাশ কৰিছে বুলি নিশ্চিতভাৱে ক'ব নোৱাৰি। পশ্চিমীয়া দেশসমূহতো সমালোচকসকলে একেধৰণৰ দৃষ্টিভংগীৰে গদ্যৰ সংজ্ঞা নিৰূপণ কৰিবলৈ চেষ্টা কৰা দেখা যায়। অর্থাৎ, প্রাচ্য হওক বা পাশ্চাত্য হওক, গদ্যৰ সংজ্ঞা নির্ধাৰণৰ ক্ষেত্রত অধিকাংশ আলোচকে পদ্য বা কাব্যৰ সৈতে ইয়াৰ পার্থক্যকেই ভিত্তি হিচাপে গ্রহণ কৰিছে। সমালোচিকা Marjorie Boulton-এ গদ্য আৰু পদ্যৰ মাজৰ পার্থক্য বুজাবলৈ গৈ কৈছে– 'Poetry is much more figurative than prose', অর্থাৎ কাব্য বা পদ্য গদ্যতকৈ অধিক অলংকাৰময়। এই মন্তব্যৰ জৰিয়তে তেওঁ দেখু�ৱাব বিচাৰিছে যে গদ্য আৰু পদ্য দুয়োটাতে লয় থাকে। কিন্তু পদ্য বা কবিতাত ছন্দ-সুষমা, ধ্বনিসাম্য, অলংকাৰ, সংগীতময়তা আৰু অন্যান্য কাব্যিক উপাদানৰ উপস্থিতিৰ বাবে সেই লয় অধিক স্পষ্ট আৰু সৌন্দর্যপূর্ণভাৱে প্রকাশ পায়। Herbert Read-এ গদ্যক প্রস্তুত শব্দৰাশিৰে নির্মিত এক সৌধ বুলি অভিহিত কৰি কৈছে– 'Prose is a structure of readymade words'। আন এক স্থানত তেওঁ গদ্য আৰু কবিতাৰ মাজৰ পার্থক্য ব্যাখ্যা কৰি কৈছে– 'Poetry is creative expression, prose is constructive expression'। অর্থাৎ, গদ্য আৰু পদ্য দুয়োটাই অভিব্যক্তিৰ মাধ্যম। কিন্তু কবিতা মূলতঃ সৃজনশীল অভিব্যক্তি, আনহাতে গদ্য হৈছে গঠনমূলক অভিব্যক্তি।

সংস্কৃত আলঙ্কাৰিকসকলে গদ্যক ঘাইকৈ চাৰিটা ভাগত ভগাইছে– অৱশ্যে এওঁলোকে এনে ৰচনাকো কাব্য বিশেষণযুক্ত কৰি গদ্যকাব্য বুলিহে নামকৰণ কৰা দেখা যায়। এই চাৰি ভাগ হৈছে–

ক] মুক্তক গদ্য– ই সমাসবিহীন। ইয়াৰ উদাহৰণ– পৃথৰুৰসি, গুৰুর্ৱচসি।

খ] বৃত্তগন্ধী গদ্য– আংশিকভাৱে ছন্দ সম্পর্কযুক্ত গদ্য বৃত্তগন্ধী। ইয়াৰ উদাহৰণ– কবিৰাজ বিৰচিত কুণ্ডলীকৃতকোদণ্ড, সমৰদ্বয়কণ্ডুয়ন।

গ] উৎকলিকাপ্রায় গদ্য– ই দীঘল সমাসযুকত। উদাহৰণ স্বৰূপে, প্রাচীন সংস্কৃত শাস্ত্রৰ যিকোনো সুদীর্ঘ পদৰচনাক দেখুৱাব পাৰি।

ঘ] চূর্ণক গদ্য– হ্রস্বসমাসযুক্ত পদবিশিষ্ট ৰচনা চূর্ণক গদ্য; উদাহৰণ– গুণতন্ত্রাকৰ-জগদেকনাগৰ কামিনীমদন পুনৰজন। [সাহিত্য দর্শন]

পাশ্চাত্যৰ আধুনিক সমালোচকসকলেও নানান দৃষ্টিকোণৰ পৰা বিচাৰ-বিশ্লেষণ কৰি গদ্যৰ শ্রেণী বিভাজন কৰিছে–

Marjorie Boulton-এ গুণ আৰু ধর্মৰ প্রতি লক্ষ্য ৰাখি গদ্যক নিম্নলিখিত ভাগত ভগাইছে–

ক] Narrative [বিৱৰণাত্মক]

খ] Argumentative [যুক্তিনিষ্ঠ]

গ] Dramatic [নাটকীয়]

ঘ] Informative [সংবাদজ্ঞাপক]

ঙ] Contemplative [চিন্তামূলক]

আনহাতে, Style বা শৈলীৰ বৈচিত্র্যৰ ওপৰত নির্ভৰ কৰিও গদ্যক ক্রমে যুক্তিবাদী শৈলী, ব্যঙ্গাত্মক শৈলী, সংলাপমূলক শৈলী আৰু নাটকীয় শৈলীৰ গদ্য এনে ভাগত ভগাব পাৰি।

গদ্যৰ শ্রেণীবিভাজন সম্পর্কে আলোচনা কৰিবলৈ লৈ অধ্যাপক প্রফুল্ল কটকীয়ে ইয়াৰ মৌলিক প্রকৃতিক আধাৰ হিচাপে লৈছে। এনে আধাৰভিত্তিক গদ্যৰ প্রকাৰ প্রধানতঃ তিনিবিধ—

ক] বিবৃতিমূলক গদ্য

খ] সমালোচনাত্মক বা চিন্তাশীল গদ্য আৰু

গ] ৰসাশ্রয়ী, ৰসসিক্ত বা চিন্তাশীল গদ্য।

ইয়াৰ ভিতৰত সাহিত্যিক গদ্যৰ যি পৰিচিত ৰূপ দেখা যায়, তাক মূলতঃ সৃষ্টিশীল আৰু সমালোচনামূলক— এই দুটা ভাগত বিভক্ত কৰিব পাৰি। আনহাতে, বিবৃতিমূলক গদ্য তথ্যনির্ভৰ হোৱা বাবে ইয়াৰ সাহিত্যিক মূল্য তুলনামূলকভাৱে কম। সেই কাৰণে এইবিধ গদ্যক কেতিয়াবা ব্যৱস্থাপক, বিধায়ক বা নির্দেশাত্মক গদ্য বুলিও কোৱা হয়। ওপৰত উল্লেখ কৰা চিন্তাশীল গদ্যক পুনৰ তত্ত্বমূলক, বিশ্লেষণাত্মক, ব্যাখ্যামূলক আদি কেইবাটাও উপভাগত বিভক্ত কৰিব পাৰি। আনহাতে, বিষয়বস্তু আৰু দৃষ্টিভংগীৰ ভিত্তিত গদ্যক ভাববাদী আৰু বস্তুনিষ্ঠ— এই দুটা সুকীয়া ভাগতো ভাগ কৰা হৈছে। প্রকাশভংগীৰ ওপৰত নির্ভৰ কৰি গদ্যক পুনৰ নিৰাভৰণ বা আড়ম্বৰহীন (Plain) আৰু অলংকৃত বা বাখৰুৱা (Ornate) এই দুটা ভাগত বিভক্ত কৰা হয়।

আপুনি মন কৰিব যে, গদ্যৰ স্বৰূপ উপলব্ধি কৰাৰ ক্ষেত্রত গদ্য আৰু পদ্যৰ মাজৰ পার্থক্যৰ সীমাৰেখা, গদ্যৰ বিভাজন-পদ্ধতি আৰু সূত্রবদ্ধ ব্যাখ্যাসমূহে ইয়াৰ সকলো দিশ সম্পূর্ণভাৱে স্পষ্ট কৰি তুলিব নোৱাৰে। তথাপি, এইধৰণৰ আলোচনাৰ জৰিয়তে গদ্য সম্পর্কে এক সামগ্রিক ধাৰণা বা অৱধাৰণাগত সিদ্ধান্তত উপনীত হ'বলৈ চেষ্টা কৰিব পাৰি।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ : গদ্য বুলিলে কি বুজা?

.....

প্রশ্ন নং ২ : গদ্য আৰু পদ্যৰ মাজৰ মূল পার্থক্য কি?

.....

প্রশ্ন নং ৩ : সংস্কৃত আলংকাৰিকসকলে গদ্যক কেনেকৈ ভাগ কৰিছে?

.....

প্ৰশ্ন নং ৪ : Marjorie Boulton-এ গদ্যক কেনেকৈ শ্ৰেণীবিভাজন কৰিছে?

.....

প্ৰশ্ন নং ৫ : অধ্যাপক প্ৰফুল্ল কটকীয়ে গদ্যক কেনেদৰে ভাগ কৰিছে?

.....

১.৪ অসমীয়া গদ্য-সাহিত্যৰ ইতিহাসঃ পুৰণি ভাগ

এই উপশাখাত আমি আপোনালোকৰ অধ্যয়নৰ সুবিধাৰ বাবে অসমীয়া গদ্য-সাহিত্যৰ প্ৰাৰম্ভিক অৱস্থাৰ এটি সংক্ষিপ্ত আভাস আগবঢ়াবলৈ চেষ্টা কৰিম। এই স্তৰত গদ্যৰ নিদৰ্শন হিচাপে আমি মূলতঃ মন্ত্ৰপুথিৰ গদ্য আৰু অঙ্কীয়া নাটৰ গদ্যৰ বিষয়েহে আলোচনা কৰিম। আপুনি জানে যে, ভাৰতবৰ্ষৰ অন্যান্য ভাষাৰ দৰেই অসমীয়া ভাষায়ো প্ৰথমে নিজৰ পুৰণি সাহিত্য-সম্ভাৰৰ জৰিয়তে ছন্দোময় ৰূপত আত্মপ্ৰকাশ কৰিছিল। মানৱ মনৰ সাংস্কৃতিক অনুভূতি আৰু সৃষ্টিশীল অভিব্যক্তি সাধাৰণতে ছন্দৰ মাজেৰে সুস্পষ্টভাৱে প্ৰকাশ পায়। আনহাতে, দৈনন্দিন ভাব-বিনিময়ৰ স্বাভাৱিক মাধ্যম হৈছে কথ্য ভাষা। যদিও অসমীয়া গদ্যৰ বিকাশ পদ্যৰ সমসাময়িকভাৱে হোৱা নাছিল, তথাপি ইয়াৰ প্ৰাচীন নিদৰ্শন মন্ত্ৰপুথিত সংৰক্ষিত গদ্যত পোৱা যায়। ইয়াৰ পিছত ষোড়শ শতিকাত মহাপুৰুষ শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা অঙ্কীয়া নাটৰ গদ্যৰ মাজেদিও অসমীয়া গদ্যই প্ৰকাশৰ সুযোগ লাভ কৰে। পৰৱৰ্তী সময়ত ভট্টদেৱৰ হাতত এই গদ্যধাৰাই অধিক পৰিণতি লাভ কৰি স্বকীয় বৈশিষ্ট্যৰে বিকশিত হৈ উঠে।

১.৪.১ অসমীয়া মন্ত্ৰ সাহিত্যৰ গদ্য

মন্ত্ৰ-সাহিত্য মৌখিক সাহিত্যৰ এক বিশিষ্ট অংগ। এইবিধ সাহিত্য মূলতঃ মন্ত্ৰপুথি আৰু মন্ত্ৰৰ ধাৰক-বাহকসকলৰ মুখে মুখে পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহিছে। মন্ত্ৰ তথা মন্ত্ৰ-সাহিত্যৰ উৎপত্তি অতি প্ৰাচীন। মহেশ্বৰ নেওগৰ মতে, পালি বৌদ্ধ সাহিত্যৰ অন্তৰ্গত নিকায়সমূহৰ ভিতৰত *ব্ৰহ্মজাল সূত্ৰত* নানা প্ৰকাৰৰ গুপ্ত মন্ত্ৰৰ উল্লেখ পোৱা যায়। এই মন্ত্ৰসমূহক বুদ্ধদেৱে 'কুটিল' আখ্যা দিছিল। ভাৰতীয় পৰম্পৰাত মন্ত্ৰ-তন্ত্ৰৰ প্ৰচলন অতীজৰে পৰাই চলি আহিছে। বৈদিক সূক্তসমূহো এক প্ৰকাৰৰ মন্ত্ৰ আছিল। অৱশ্যে, মন্ত্ৰৰ বহু ৰূপৰ বিপৰীতে সেইবোৰ সম্পূৰ্ণ অৰ্থহীন নাছিল। হিন্দু ধৰ্মৰ তান্ত্ৰিক পদ্ধতিত মন্ত্ৰ-সাহিত্যৰ ব্যাপক প্ৰচলন আৰু বিস্তাৰ দেখা যায়।

অসমত প্ৰচলিত মন্ত্ৰ-সাহিত্যৰ প্ৰাচীনতা নিৰ্ধাৰণ কৰা সহজ নহয়। মন্ত্ৰসমূহত হিন্দু ধৰ্মৰ চাৰি বেদ, বিশেষকৈ অথৰ্ববেদৰ উল্লেখ পোৱা যায়। আনহাতে, কিছুমান মন্ত্ৰত ইছলাম ধৰ্ম, কোৰাণ, মহম্মদ, ফিৰিঙ্গি আদি বিষয়ৰ উল্লেখো আছে বুলি মহেশ্বৰ নেওগে উল্লেখ কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে– "অঙ্কীয়া নাটৰ সমসাময়িক বা তাতোকৈ অলপ পূৰ্বৰ গদ্যৰ পৰিচয় আছে মন্ত্ৰ সাহিত্যত।" ডিম্বেশ্বৰ নেওগৰ মতে মন্ত্ৰসমূহ "অতি আদিম, অন্ততঃ একাদশ-দ্বাদশ শতিকাৰ পিছলৈ নাহে; বিশেষকৈ অসমীয়া সমাজত বৈষ্ণৱ ধৰ্মৰ ঢৌ উঠাৰ পিছত আৰু এনেবোৰ তন্ত্ৰ-মন্ত্ৰৰ নকৈ জন্ম হোৱা সম্ভৱ নহয় বুলিয়ে ভাবিব পাৰি।"

ওপৰৰ আলোচনাৰ পৰা আপুনি নিশ্চয় অনুমান কৰিব পাৰিছে যে প্ৰাক্‌শঙ্কৰী যুগৰ বহু আগৰে পৰাই অসমত মন্ত্ৰৰ প্ৰচলন আছিল। শঙ্কৰদেৱৰ আৱিৰ্ভাৱ আৰু তেওঁৰ দ্বাৰা প্ৰচাৰিত একশৰণীয়া নামধৰ্মৰ হেতুকে বৈষ্ণৱপন্থীসকলে এই মন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰা হৈছিল। তথাপি শাক্ত আৰু তন্ত্ৰ ব্যৱস্থাত বিশ্বাসীসকলে তন্ত্ৰ-মন্ত্ৰৰ ব্যৱহাৰ কৰি থকা কাৰণে ছেগাচোৰোকাকৈ হ'লেও অসমত এইবিধ সাহিত্যৰ প্ৰচলন আছিল।

লোক-সাহিত্যৰ আন আন ভাগবোৰৰ দৰে মন্ত্ৰ-সাহিত্যৰ সৃষ্টিও কোনো এক নিৰ্দিষ্ট সময়ত হোৱা নাছিল। সেইবাবে এইবোৰ কাল নিৰপেক্ষ। ইয়াৰ উৎপত্তিৰ কোনো কাল নিৰ্ধাৰণ কৰিব নোৱাৰিলেও অসমীয়া সমাজ জীৱনত ষষ্ঠদশ শতিকালৈ ক্ষীণ ৰূপত হ'লেও এটি সুঁতি চলি আছিল। বিশেষকৈ বেজ-বেজালি আৰু নেতিবাচক যাদু প্ৰয়োগৰ নামত এচাম লোকে মন্ত্ৰৰ প্ৰয়োগ কৰিছিল। গোপনীয়তা ৰক্ষাৰ স্বাৰ্থত এইসকল লোকে মন্ত্ৰপুথিবোৰ আছুতীয়াকৈ সংৰক্ষণ কৰিছিল। এনেদৰে বহুতো মন্ত্ৰ-সাহিত্যৰ পুথি সময়ৰ সোঁতত জাহ গৈছে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ : অসমীয়া গদ্য-সাহিত্যৰ প্ৰাচীন নিদৰ্শন দুটা কি কি ?

.....

প্ৰশ্ন নং ৭: মন্ত্ৰ সাহিত্য বুলিলে কি বুজা ?

.....

প্ৰশ্ন নং ৮: অসমীয়া সমাজত মন্ত্ৰ সাহিত্য কেনেদৰে সংৰক্ষিত হৈছিল ?

.....

অসমত প্ৰচলিত মন্ত্ৰপুথিসমূহৰ ভিতৰত কৰতী পুথি, বীৰাজৰা মন্ত্ৰপুথি, সাপৰ ধাৰণী মন্ত্ৰ। সাৰ্বটাক মন্ত্ৰ, শুচী মন্ত্ৰ ইত্যাদিৰ নাম উল্লেখযোগ্য। ইয়াৰ উপৰি বিলাসী মন্ত্ৰ, উচাটন মন্ত্ৰ, অগ্নিবাণ মন্ত্ৰ, মোহিনী মন্ত্ৰ ইত্যাদি মন্ত্ৰপুথিৰ নাম পোৱা গৈছে।

কৰতী পুথিৰ মন্ত্ৰক পানীকটা মন্ত্ৰ বুলিও কোৱা হৈছিল। ধাৰণী মন্ত্ৰক নামান্তৰত ধৰণী মন্ত্ৰ বা ধৰণী ধৰা মন্ত্ৰ বোলা হৈছিল। ই মূলতঃ সাপৰ মন্ত্ৰ। বিৰিঞ্চি কুমাৰ বৰুৱাই মধ্যযুগৰ বৌদ্ধ ধৰ্মতো এনে বিধৰ জৰাফুকা মন্ত্ৰ প্ৰচলন থকাৰ কথা উল্লেখ কৰিছে। বৌদ্ধ ধৰ্মকালীন এই মন্ত্ৰক 'পবিত্তা' বুলিও কোৱা হৈছিল। লোকবিশ্বাস মতে এই মন্ত্ৰই বিপজ ভঞ্জন কৰে। সিংহল (শ্ৰীলঙ্কা), চীন, নেপাল, তিব্বত আদি দেশত এই মন্ত্ৰৰ প্ৰচলন আছে। ইয়াৰ বিপৰীতে কৰতী পুথিৰ মন্ত্ৰৰ সৈতে অথৰ্ব বেদৰ সুক্তসমূহৰ সম্পৰ্ক পণ্ডিতসকলে বিচাৰি পাইছে। ব্ৰহ্মকৰতী নামৰ মন্ত্ৰপুথিত ইয়াৰ উল্লেখ এনেদৰে পোৱা যায়— "অনন্ত শয্যাত গোহাঞি শুতি আছিলন্তে। বাজ ভৈলা চাৰি বেদ নিশ্বাস কাঢ়ন্তে। অথৰ্ব বেদৰ অৰণ্য কৰতি কহে। কৰতী মন্ত্ৰ জগতত বহে।"

বীৰাজৰা মন্ত্ৰ বীৰা আদি জপাবলৈ ব্যৱহাৰ কৰা হৈছিল। সৰ্বঢাক মন্ত্ৰৰ দ্বাৰা অপায়-অমংগল নাশ কৰা লোকবিশ্বাস সম্পৰ্কিত আছিল। শুচী মন্ত্ৰত শুদ্ধিকৰণৰ ধাৰণা সম্পৃক্ত হৈ থকাৰ উল্লেখ পোৱা যায়। আনহাতে, কিছুমান পুথিত মন্ত্ৰৰ প্ৰভাৱ দূৰ কৰিবলৈ ওভতা মন্ত্ৰ থকাৰ প্ৰমাণ আছে।

অসমীয়া গদ্য-সাহিত্যৰ ক্ৰমবিকাশৰ অধ্যয়ন কৰোঁতে মন্ত্ৰপুথিসমূহৰ গদ্যক আদিম স্তৰৰ এক গুৰুত্বপূৰ্ণ নিদৰ্শন হিচাপে গণ্য কৰিব পাৰি। এই অধ্যায়ৰ পিছৰ উপ-বিভাগত আপুনি পঢ়িবলৈ পাব যে প্ৰকৃত অসমীয়া গদ্যৰ সূচনা মূলতঃ শঙ্কৰদেৱ ৰচিত অঙ্কীয়া নাটসমূহৰ মাজেদিহে হৈছিল। তথাপি, সেই পৰ্যায়ৰ পূৰ্বসূৰী ৰূপে মন্ত্ৰ-সাহিত্যৰ গদ্যৰ এক সুকীয়া স্থান আৰু বৈশিষ্ট্য আছিল বুলি ক'ব পাৰি। উল্লেখযোগ্য যে, আলোচনাৰ সুবিধাৰ বাবে মন্ত্ৰ-সাহিত্যৰ প্ৰকাশ-মাধ্যমক গদ্যৰ নিদৰ্শন বুলি কোৱা হৈছে যদিও ইয়াত পূৰ্ণাংগ গদ্যৰীতি অনুসৃত হোৱা নাই। আনকি গদ্যৰ সকলো বৈশিষ্ট্যও ইয়াত দেখা নাযায়। ইয়াৰ মূল কাৰণ হ'ল মন্ত্ৰসমূহ সৃষ্টিকৰ্তাসকলৰ ইচ্ছানুসাৰে গদ্য আৰু পদ্য— উভয় মাধ্যমতেই ৰচিত হৈছিল। এই মিশ্ৰধৰ্মী ৰচনাশৈলীৰ ফলত ইয়াত একফালে গদ্যৰ পূৰ্ণ বিকাশ দেখা নাযায়, আনফালে পদ্যৰো স্বতন্ত্ৰ আৰু সুসংহত ৰূপ স্পষ্টভাৱে প্ৰকাশ পোৱা নাছিল। এই সন্দৰ্ভত মহেশ্বৰ নেওগে কৰা মন্তব্য প্ৰণিধানযোগ্য– "মন্ত্ৰ সাহিত্যৰ এটি প্ৰধান বৈশিষ্ট্য– তাৰ ছন্দধৰনি আছে যদিও অন্ত্যানুপ্ৰাস আৰু পদ-সাম্য সিৰোৱত অভিপ্ৰেত নহয়।"

সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে– "এই মন্ত্ৰবোৰ সৰ্বসাধাৰণৰ কথিত ভাষাৰ ভিত্তিত ৰচনা কৰা হৈছিল। ইয়াত গদ্যৰ স্থান গৌণহে, পদ্যকেই ভাব প্ৰকাশৰ বাহন ৰূপে ব্যৱহাৰ কৰিছে।"

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ : কৰতী পুথিৰ মন্ত্ৰক আন কি নামেৰে জনা যায়?

.....

প্ৰশ্ন নং ১০ : ধাৰণী মন্ত্ৰ কি আৰু ইয়াৰ ব্যৱহাৰ কি উদ্দেশ্যে কৰা হৈছিল?

.....

মন্ত্ৰসমূহ মূলতঃ লোকসৃষ্ট ৰচনা। লোকসাহিত্যত প্ৰকাশৰ ক্ষেত্ৰত গদ্য আৰু পদ্যৰ মাজৰ কঠোৰ বিভাজন মানি চলা নহয়। সেইবাবে লোকসৃষ্ট ৰচনাসমূহত গদ্য-পদ্যৰ মিশ্ৰ ৰূপ দেখা পোৱা স্বাভাৱিক। আনহাতে, মন্ত্ৰসমূহৰ কাৰ্যকাৰিতা আৰু মুখে মুখে প্ৰচলিত হৈ থকাৰ স্থায়িত্বৰ ওপৰত ৰচকসকলে অধিক গুৰুত্ব দিছিল। সেই কাৰণেই তেওঁলোকে গদ্য আৰু পদ্য— উভয় মাধ্যমৰ সংমিশ্ৰণেৰে এক বিশেষ প্ৰকাশভংগী ব্যৱহাৰ কৰিছিল। সম্ভৱতঃ এই মিশ্ৰধৰ্মী ৰূপে মন্ত্ৰসমূহৰ ঐন্দ্ৰজালিকতা বৃদ্ধি কৰাৰ লগতে সাধাৰণ লোকৰ মনত এক ধৰণৰ দুৰ্বোধ্যতা আৰু ৰহস্যময়তাৰ আভাসো সৃষ্টি কৰিছিল।

মন্ত্ৰ-সাহিত্যত ব্যৱহৃত গদ্যৰ বৈশিষ্ট্য কেইটিমান তলত দিয়া ধৰণে নিৰূপণ কৰিব পাৰি—

১] পদ্যধর্মিতাঃ প্রয়োগৰ সুবিধাৰ বাবে মন্ত্রসমূহ ধাৰকসকলে সাধাৰণতে সুৰ ধৰি গাইছিল। সেই কাৰণে মন্ত্রত থকা গদ্যধর্মী অংশসমূহো সুৰ আৰু পদ্যধর্মী উপাদানৰ সহযোগত এক বিশেষ ৰূপত পৰিৰেশিত হৈছিল। পদ্য ৰচনাৰীতিৰ প্রভাৱত মন্ত্রসমূহৰ বহু ক্ষেত্রত এক শাৰীৰ অন্তিম আখৰৰ সৈতে পৰৱর্তী শাৰীৰ আখৰৰ হুবহু মিল দেখা যায়। আনহাতে, যিবিলাক মন্ত্রত এনে ধৰণৰ মিল বা অনুপ্রাসধর্মী বিন্যাস পোৱা নাযায়, সেইবিলাকতো বিশেষ ধৰণৰ আচহুৱা বা অস্বাভাৱিক পদ-গঠনৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। এই দুই ধৰণৰ মন্ত্র ৰচনাৰ নমুনা হিচাপে দুফাকি তলত উদ্ধৃত কৰা হ'ল–

ক] পদ্যধর্মিতা ৰক্ষিত মন্ত্র– [কৰতী মন্ত্র]

"চন্দ্র মাখি, সূর্য্য মাখি, অমুকাৰ মুখ ৰাখি অন্তচুৰ মেলো। দান্তচুৰ মেলো। চুলিচুৰ মেলো। স্বর্ণচুৰ মেলো। ভৰি চুৰ মেলো। জলচুৰ মেলো। থল চুৰ মেলো। পাতালি চুৰ মেলো। চৌষষ্ঠী চুৰ মেলো। পানি কৃত্য কৰো। ব্রহ্মা মহাদেৱৰ আজ্ঞা পালো। কুমন্ত্র কুজ্ঞান কুকর্ম হাড়া মন্দ কৰা, ৰোগ ব্যাধি চূণ কৰাত পড়ি সমস্তক পানি কৃত্য কৰো।" –এই মন্ত্রখণ্ডৰ সৰহ অংশতে শাৰীৰ আখৰৰ মিল আছে।

খ] উভয় ৰূপ ৰক্ষিত মন্ত্র– [কৰতী মন্ত্রঃ সুদর্শন চক্র কৰতী]

"ব্রহ্মাদেৱ বহি আছে চমৎকাৰ কৰি। আদি পূবত বসিলা ইন্দ্র যম দক্ষিণত। উত্তৰত কুবেৰ বৰুণ। পশ্চিমত আনো দেৱগণ আছে সভা পাতি। সেহি সমাজক চক্রে দেখিলেক পাছে। দেখি থৰহৰি কম্পে যত শ্রম আছে। চমৎকাৰ কৰি ইন্দ্র সুৰপতি ঝাম্পে কৰি থৰ থৰ। কৌটি সূর্য্য সম যেন চক্র সুদর্শন। প্রলয়ৰ অগ্নি যেন দহি কৰে চন্ন। ভৰক ভৰক কৰি পাৱে লাগে জুই। পলাই দেৱ দৈত্য চেঞ্চাপোচা হুই।। চাৰিবাৰ শংকা নাই চক্ষু যাই ফুটি। যাকে যৈতে পাৱে চক্র পেলাইলো কাটি।"

ব্রহ্মৰ দিব্যসভাৰ মনোৰম বর্ণনা থকা এই মন্ত্রভাগত প্রথম চাৰিটা শাৰীৰ আখৰৰ মিল নাই। পঞ্চম আৰু ষষ্ঠ শাৰীত ক্রমে 'পাছে' আৰু 'আছে'-ত 'ছ'ৰ ব্যৱহাৰ হৈছে। সপ্তম শাৰীটো এনে মিলৰ বাহিৰত। আকৌ পিছৰ অষ্টম আৰু নৱম শাৰীত 'সুদর্শন'ৰ 'ন' 'চন্ন'-ৰ 'ন'ৰ দিত্ব প্রয়োগেৰে মিল সূচোৱা হৈছে। দশম আৰু একাদশী শাৰীত 'জুই'ৰ 'ই' আৰু 'হুই'-ৰ 'ই' মিল আছে। তদনুৰূপ শেহৰ দুয়োটা শাৰীৰ শেহৰ আখৰত 'টি'ৰ প্রয়োগ মিল লক্ষ্যণীয়।

২] আচহুৱা শব্দৰ প্রয়োগঃ আচহুৱা ধৰণৰ শব্দৰ প্রয়োগ মন্ত্র সাহিত্যৰ অন্যতম লক্ষণ। এই শব্দবোৰক দৰাচলতে অর্থহীন ধ্বনি বোলাহে যুগুত। মন্ত্রোচ্চাৰকে এনে ধ্বনি প্রয়োগ কৰাৰ ব্যৱহাৰিক কাৰণ আছে। সত্যেন্দ্র নাথ শর্মাৰ মতে 'এই ধ্বনিসমূহৰ প্রয়োগৰ দ্বাৰা যাদুকৰী পৰিৰেশ এটা সৃষ্টি কৰিবলৈ বিচৰা হৈছে।' আনহাতে, বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে মন্ত্রসমূহক বেদসন্মত কৰিবৰ কাৰণে 'ওঁ', 'স্বাহা' আদি মংগল বচন হ'লেও, 'উৎ', 'আং', 'হ্রীং', 'উম', 'এবং', 'ক্রোং', 'ফট', 'অহ' আদি গুপ্তার্থ নিহিত ধ্বনিহে।

৩] অবিন্যস্ত বাক্যৰীতিঃ গদ্য সদায় যথার্থ আৰু অনুবন্ধনযুক্ত বাক্যৰীতিৰ ওপৰত নির্ভৰশীল। নিভাঁজ বাক্যবিন্যাস প্রকৰণেহে গদ্যৰ প্রকৃত পৰিচয় দাঙি ধৰে। ব্যাকৰণৰ মতেও শব্দ

কেতবোৰৰ সমাহাৰেই বাক্য নহয়। পদৰ যথোচিত প্ৰয়োগ, যোগ্যতা, আকাংক্ষা আৰু আসক্তিৰ ব্যৱহাৰহে বাক্যৰ প্ৰকৃত লক্ষণ। মন্ত্ৰপুথিৰ গদ্যত ইয়াৰ এটিৰো সুষম প্ৰয়োগ দেখা নাযায়। বিৰিঞ্চি কুমাৰ বৰুৱাই মন্ত্ৰৰ বাক্য বিন্যাস পদ্ধতিৰ বিষয়ে এনেদৰে কৈছে— "বাক্য গঠন পদ্ধতি চঞ্চল আৰু ব্যাকৰণ বন্ধনবিহীন। বহুত মন্ত্ৰতে গদ্যৰ যি প্ৰকৃত গুণ, অৰ্থাৎ যুক্তিসংলগ্নভাৱে ভাব প্ৰকাশ কৰিবৰ ক্ষমতা তাৰে অভাৱ। ভালেমান মন্ত্ৰ ক্ৰিয়াবিহীন। কিছুমান দুৰ্বোধ শব্দ আৰু অস্পষ্ট বাক্যাংশৰ সমষ্টিহে মাথোন।" ধৰা– "ৰামৰ শৰ, পিঙ্গলিয়া শৰ দেৱ শৰ, ইন্দ্ৰ শৰ চত্তা শৰ' ইত্যাদি।"

যদিও অসমীয়া মন্ত্ৰ-সাহিত্যত প্ৰকৃত গদ্যৰ সকলো বৈশিষ্ট্য পোৱা নাযায়, তথাপি ই উত্তৰকালৰ অসমীয়া গদ্যক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। পূৰ্ণাংগ গদ্য নহ'লেও অসমীয়া গদ্য-সাহিত্যৰ বিকাশযাত্ৰাৰ প্ৰাৰম্ভিক স্তৰৰ এক উল্লেখযোগ্য নিদৰ্শন হিচাপে ইয়াৰ মূল্য অপৰিসীম। মন্ত্ৰ-সাহিত্য অসমীয়া কাব্যভাষাৰ এক নিকট আত্মীয় বুলি ক'ব পাৰি। ইয়াত ব্যৱহৃত নিভাঁজ ঘৰুৱা শব্দসমূহে ভাষাক অধিক স্বাভাৱিক, সজীৱ আৰু আকৰ্ষণীয় কৰি তুলিছে। লগতে, ঠায়ে ঠায়ে দেখা পোৱা অলংকাৰিক প্ৰয়োগে ইয়াৰ সাহিত্যিক সৌন্দৰ্য বৃদ্ধি কৰাৰ লগতে সাহিত্যিক মূল্যও সমৃদ্ধ কৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১: মন্ত্ৰ-সাহিত্যত আচহুৱা শব্দৰ প্ৰয়োগ কিয় কৰা হৈছিল ?

.....

প্ৰশ্ন নং ১২: মন্ত্ৰপুথিৰ গদ্যৰ বাক্যৰীতিৰ বৈশিষ্ট্যসমূহ কি ?

.....

১.৪.২ অঙ্কীয়া নাটৰ গদ্য

আপুনি ইতিমধ্যে আগৰ পাঠত অঙ্কীয়া নাট সম্বন্ধে অধ্যয়ন কৰিছে। অঙ্কীয়া নাট মহাপুৰুষ শঙ্কৰদেৱৰ এক অপূৰ্ব আৰু যুগান্তকাৰী সৃষ্টি। তেওঁ অসমত একশৰণীয়া নামধৰ্মৰ প্ৰতিষ্ঠা, প্ৰসাৰ আৰু প্ৰচাৰৰ জৰিয়তে এক অনন্য কৃতিত্বৰ স্বাক্ষৰ ৰাখি গৈছে। তদানীন্তন অসমীয়া সমাজৰ সামাজিক আৰু সাংস্কৃতিক পৰিৱেশত ভাগৱত-আদৰ্শভিত্তিক কৃষ্ণতত্ত্বক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এই নামধৰ্মৰ প্ৰচাৰ সহজ কাম নাছিল। সেই কঠিন দায়িত্ব পালন কৰিবলৈ মহাপুৰুষ শঙ্কৰদেৱে নিৰন্তৰ প্ৰচেষ্টা চলাইছিল। পদপুথি ৰচনাৰ উপৰি তেওঁ পৰিবেশ্য কলাকো ধৰ্মপ্ৰচাৰৰ এক শক্তিশালী মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল। সাধাৰণ জনগণৰ মাজত নামধৰ্মৰ আদৰ্শ বিস্তাৰ কৰিবলৈ তেওঁ অশেষ পৰিশ্ৰম আৰু অহোপুৰুষাৰ্থ কৰিছিল।

আপুনি নিশ্চয় অনুমান কৰিব পাৰিছে যে, ওপৰত উল্লেখ কৰা পৰিবেশ্য কলাৰূপ বুলিলে মূলতঃ ৰৰগীত আৰু অঙ্কীয়া নাটকেই বুজোৱা হৈছে। ভাৰতবৰ্ষত মধ্যযুগত উদ্ভৱ হোৱা বৈষ্ণৱ আন্দোলনসমূহে বিভিন্ন আঞ্চলিক ভাষাত গীত আৰু কবিতাৰ এক সমৃদ্ধ ধাৰাৰ সৃষ্টি কৰিছিল। অসমতো শঙ্কৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱ আন্দোলনে এক শক্তিশালী সৃষ্টিশীল ৰূপ লাভ কৰিছিল। এই

আন্দোলনৰ ফলস্বৰূপে বৰগীত আৰু ভটিমা নামৰ এক বিশেষ শ্রেণীৰ আধ্যাত্মিক গীতৰ সৃষ্টি হয়। এই গীতসমূহে কেৱল ধর্মীয় ভাৱধাৰাকেই প্রকাশ কৰা নাছিল, বৰঞ্চ অসমীয়া সাহিত্য, সংগীত আৰু সংস্কৃতিকো এক নতুন দিশ প্রদান কৰিছিল।

এই পৰিবেশ্য কলাৰ দ্বিতীয় ধাৰাটি হৈছে অঙ্কীয়া নাট। শঙ্কৰদেৱে মুঠ ছখন অঙ্কীয়া নাট ৰচনা কৰিছিল। সেইকেইখন হ'ল— *পত্নীপ্রসাদ, কালিদমন, কেলিগোপাল, পাৰিজাত হৰণ, ৰুক্মিণী হৰণ* আৰু *ৰামবিজয়*। খ্রীষ্টীয় ষোড়শ শতিকাত মহাপুৰুষ শঙ্কৰদেৱৰ হাতত সৃষ্ট এই নাটধাৰাই পৰৱর্তী সময়ত মাধৱদেৱ আৰু অন্যান্য শিষ্য-প্রশিষ্যসকলৰ হাতত অধিক পৰিপক্কতা আৰু পূর্ণতা লাভ কৰে। অঙ্কীয়া নাট সৃষ্টিৰ মূল অনুপ্রেৰণা সংস্কৃত নাট হ'লেও, ইয়াত স্থানীয় লোককলাৰ উপাদানো সন্নিবিষ্ট হৈছে। বিশেষকৈ ওজাপালি অনুষ্ঠান আৰু পুতলা নাচৰ প্রভাৱ ইয়াত থকা বুলি পণ্ডিতসকলে উল্লেখ কৰিছে। অঙ্কীয়া নাট মূলতঃ গীত আৰু পদপ্রধান। তথাপি ইয়াত সংস্কৃত শ্লোকৰ লগতে পূর্ববর্তী সাহিত্য-পৰম্পৰাত বিশেষভাৱে নথকা এক বিশেষ ধৰণৰ গদ্যৰো ব্যৱহাৰ দেখা যায়। পণ্ডিতসকলৰ মতে, *পত্নীপ্রসাদ* শঙ্কৰদেৱৰ প্রথম নাট। যদি এই মত গ্রহণ কৰা হয়, তেন্তে এই নাটখনৰ মাজেদিয়েই অসমীয়া গদ্যৰ পৰম্পৰাৰ আৰম্ভণি ঘটিছিল বুলি ক'ব পাৰি।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৩ : অঙ্কীয়া নাট বুলিলে কি বুজা ?

.....

প্রশ্ন নং ১৪: শঙ্কৰদেৱে ৰচনা কৰা অঙ্কীয়া নাটসমূহৰ নাম লিখা।

.....

প্রশ্ন নং ১৫ : অঙ্কীয়া নাটৰ সৃষ্টিৰ মূল উদ্দেশ্য কি আছিল ?

.....

বৰগীতৰ নিচিনাকৈ অঙ্কীয়া নাটত ব্যৱহৃত ভাষাটিৰ নাম ব্রজাৱলী। উল্লেখনীয় যে মহাপুৰুষজনাই পদপুথি ৰচনাত ব্যৱহাৰ কৰা পুৰণি অসমীয়া ভাষাটিক এই দুয়োবিধ কলা ৰূপত ব্যৱহাৰ কৰা নাই। গেয় পদ্ধতিৰ বৰগীত আৰু নাট্য-পদ্ধতিৰ অঙ্কীয়া ভাওনাত এক সুকীয়া ভাষাৰ ব্যৱহাৰ কৰি দুয়োবিধ কলাশৈলীক আজিকোপতি অসমীয়া মানুহৰ চিত্তাকর্ষক কৰি ৰাখিব পৰাটো মহাপুৰুষজনাৰ অনন্য কৃতিত্ব।

ব্রজাৱলী ভাষা সম্বন্ধে পণ্ডিতসকলৰ ভিন্ ভিন্ মত আছে। অম্বিকা নাথ বড়াই তেওঁৰ সম্পাদিত ৰুক্মিণী হৰণৰ পাতনিত লিখিছে— "যোল্ল শতিকাৰ ভাষাৰ লগত অৱশ্যে বর্তমান ভাষাৰ কিছু অমিল থাকিবই, কিন্তু এই নাটকবিলাকৰ ভাষাৰ লগত আমাৰ বর্তমান ভাষাৰ অমিল বৰ বেছি। ইয়াৰ কাৰণ নাটকবিলাকত সেই সময়ৰ আমাৰ ভাষাৰ লগত, ভাৰতবর্ষত ব্রজাৱলী বুলি যি এটা কথিত ভাষা আছে, তাক বহুল পৰিমাণে মিহলোৱা হৈছে।"

কালিৰাম মেধিয়ে তেওঁৰ অঙ্কাৱলীৰ পাতনিত লিখিছে— "অশিক্ষিত পুৰুষ আৰু নাৰীসকলেও যাতে নাটবোৰ বুজি পায় তাৰ বাবে নাটত এটা সহজ-সৰল ভাষা প্ৰয়োগ কৰা হৈছে, ইয়াৰ নাম ব্ৰজবুলি।"

পণ্ডিতসকলে এই ভাষাটোৰ উৎস ৰূপে মৈথিলী, শৌৰসেনী-মাগধী আদি ভাষাৰ কথা উল্লেখ কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱাই মন্তব্য কৰিছে— "ব্ৰজাৱলী ভাষা মূলতে মৈথিলী ভাষাৰ পৰা উদ্ভৱ হ'লেও ই অসমীয়া কবিৰ হাতত আৰু অসমীয়া ভাষা-সাহিত্যৰ আশ্ৰয়ত পুষ্ট আৰু পৰিবৰ্দ্ধিত হৈছে দেখি ইয়াক অসমীয়া উপভাষা বুলিব পাৰি।"

মহেশ্বৰ নেওগৰ মতে— "মৈথিল ভাষাই ব্ৰজবুলিৰ ভেঁটি। তাৰ ওপৰতে অসমীয়া বৈয়াকৰণিক আৰু আভিধানিক ৰূপৰ লগতে পশ্চিমা হিন্দীৰ ভগা-ছিগা টুকুৰা গোটাই আমাৰ 'অসমীয়া ব্ৰজবুলি'ৰ ঘৰটো সজা হৈছে।"

সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতেও ব্ৰজাৱলী ভাষাটো হৈছে মৈথিলী আৰু অসমীয়া ভাষা মিলাই সৃষ্টি কৰা এটা কৃত্ৰিম সাহিত্যিক ভাষা।

ভাষাতত্ত্ববিদ সুনীতি কুমাৰ চেটাজীৰ্য়েও বঙ্গত মৈথিলী মিশ্ৰিত বাংলা আৰু অসমত অসমীয়া আৰু অপভ্ৰংশ আৰু তেতিয়াৰ পশ্চিমী হিন্দীৰ মিহলি এটা কৃত্ৰিম ভাষা গঢ় লৈ উঠিছিল বুলি মত পোষণ কৰিছে।

উপেন্দ্ৰ নাথ গোস্বামীয়ে অসমীয়া ব্ৰজবুলি বা ব্ৰজাৱলীৰ ভাষাটো মিথিলাৰ পৰা অনা এটি কৃত্ৰিম ভাষা বুলি মানি লোৱা নাই। তেওঁৰ মতে ইয়াৰ ভিত্তি হৈছে চৰ্যাপদৰ ভাষাই প্ৰতিনিধিত্ব কৰা পূৰ্ব প্ৰচলিত সাহিত্যিক ভাষাটোৰ ৰূপটোহে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৬ : অঙ্কীয়া নাটত ব্যৱহৃত ভাষাটোৰ নাম কি ?

.....

প্ৰশ্ন নং ১৭: অঙ্কীয়া নাটত ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰাৰ উদ্দেশ্য কি আছিল ?

.....

শঙ্কৰদেৱৰ অঙ্কীয়া নাটত ব্যৱহৃত ব্ৰজাৱলী ভাষাৰ বৈশিষ্ট্য কেইটিমান তলত দিয়া ধৰণে দেখুৱাব পাৰি—

ক] সংস্কৃতৰ প্ৰভাৱঃ শঙ্কৰদেৱৰ অঙ্কীয়া নাটসমূহ সংস্কৃত নাটকৰ আৰ্হি-আদৰ্শত ৰচিত হোৱা কাৰণে ইয়াৰ সৰ্বত্ৰতে সংস্কৃতৰ প্ৰভাৱ পৰিলক্ষিত হয়। নান্দী শ্লোককে ধৰি প্ৰায়বোৰ শ্লোকেই সংস্কৃত ভাষাত ৰচিত। ইয়াৰ উপৰি অসমীয়া ভাষা ৰূপৰ সাদৃশ্য বহন কৰা নাটকীয় গদ্যতো বহুলাংশে সংস্কৃত বাক্য আৰু তৎসম শব্দৰ অবাৰিত প্ৰয়োগ দেখা যায়। মহেশ্বৰ নেওগে শব্দাৱলী, বাক্য আৰু

খণ্ডবাক্যৰ ওপৰতো সংস্কৃতৰ প্ৰভাৱ যথেষ্ট আছে বুলি উল্লেখ কৰিছে। এনে প্ৰভাৱৰ উদাহৰণ নাট্য-নিৰ্দেশনাসমূহত অধিক, যেনে— 'আকাশে কৰ্ণ দত্বা সঙ্গীত বোল', 'ইতি সংগী নিষ্ক্ৰান্ত', 'তদন্তৰম', 'অপিচ', 'পুনঃ', 'সূত্ৰধাৰঃ' ইত্যাদি।

খ] সুৰৰ প্ৰাধান্যঃ অঙ্কীয়া নাট প্ৰধানকৈ গীতিকাব্য, অপেৰাৰ আৰ্হিৰ, সেয়ে ইয়াত সুৰৰ পয়োভৰ লক্ষ্য কৰা যায়। গীতাংশ আৰু কাব্যাংশক বাদ দিলে ইয়াৰ অভিনায়িক দৃশ্যাংশৰ সংলাপতো সুৰৰ সমাবেশ ঘটা পৰিলক্ষিত হয়। সূত্ৰধাৰ আৰু আন আন পাত্ৰ-পাত্ৰী ভাৱৰীয়াসকলেও তেওঁলোকৰ বচন সুৰীয়াকৈ পৰিৱেশন কৰে। বচনৰ ক্ষেত্ৰত কঠিন শব্দবোৰ ভাঙি, স্বৰভক্তিৰ সহায়ত কোমল আৰু শুৱলা কৰিবলৈ যত্ন কৰা হৈছে, ফলস্বৰূপে গদ্যৰ মাজতো এটা সুৰৰ প্ৰবাহ ঘটিছে।

গ] পদ্যধৰ্মিতাঃ অঙ্কীয়া নাটৰ গদ্য স্বভাৱতে গদ্য-পদ্যধৰ্মী হৈছে। মহেশ্বৰ নেওগৰ মতেও এই গদ্যক প্ৰকৃত গদ্য আখ্যা দিব নোৱাৰি। সি ছন্দযুক্ত কাব্যভাষাৰ এক অগ্ৰৰূপ মাথোন। বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে ভালেমান ক্ষেত্ৰত নাটত ব্যৱহাৰ কৰা কথাভাগ পূৰ্বকৃত পদৰচনাৰ অনুবাদ হোৱা হেতুকে ই পদ্যধৰ্মী হৈ পৰিছে। আনহাতে অনুপ্ৰাস আদি শব্দালংকাৰ বহুল প্ৰয়োগে ভাৱৰীয়াৰ বচন আৰু কথাংশক লয়যুক্ত বৃত্তগন্ধী গদ্যলৈ পৰ্যবসিত কৰিছে। উদাহৰণস্বৰূপে 'কালি দমন' নাটৰ তলৰ কথাখিনি উল্লেখ কৰা হ'ল– "জগতক পৰম গুৰু পৰম পুৰুষ পুৰুষোত্তম সনাতন ব্ৰহ্ম মহেশ সেৱিত চৰণ পঙ্কজ নাৰায়ণ শ্ৰীকৃষ্ণঃ আপদ ঔষধি পাই সৰ্প দৰ্প ভেল।"

ঘ] বাক্যবিন্যাস পদ্ধতিঃ আপুনি পূৰ্বতে পাই আহিছে, যিকোনো ৰচনাই বিশেষ গদ্যৰীতিক অনুসৰণ কৰিবলৈ হ'লে প্ৰকৃত বাক্য-বিন্যাস-ৰীতিৰ নিয়মৰ মাজেদি গঢ় লৈ উঠিব লাগে। লগতে এই কথাও পাইছে যে, অসমীয়া গদ্যৰ বাক্যত কৰ্তা-কৰ্ম আৰু ক্ৰিয়াপদৰ ব্যৱহাৰৰ সুনিৰ্দিষ্ট প্ৰকৰণ আছে। শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ গদ্যত ঠায়ে ঠায়ে এনে বাক্যৰীতি মানি চলা গদ্যৰ প্ৰয়োগ দেখা যায়। উদাহৰণ– "ঐচন মধুৰ মুৰুতি শ্ৰীকৃষ্ণ স্বৰ্গবাসিক মন মোহি কৌতুক চলল।" [পাৰিজাত হৰণ] "ভিক্ষক মুখে তব গুণ ৰূপ শুনিয়ে কায়বাক্যমনে তোহাক পতি ভাবে ৰৱইছি।" [ৰুক্মিণী হৰণ] অৱশ্যে ঠায়ে ঠায়ে এনে উপযুক্ত বাক্যৰ মাজতো শব্দৰ পুনৰুক্তিত, সমাস-সংযোজিত দীঘল শব্দৰাশিৰ প্ৰয়োগে আকৌ এনে নিয়ম ভঙ্গও কৰিছে।

ঙ] ঘৰুৱা কথ্যৰীতিৰ ব্যৱহাৰঃ শঙ্কৰদেৱৰ পদ ৰচনাত জতুৱা গঢ়ৰ প্ৰাচুৰ্য অধিক, নাটকীয় গদ্যত তেনে ধৰণৰ সমানুপাতিক জতুৱা প্ৰয়োগ নাথাকিলেও সংস্কৃতীয়া আৱেশৰ মাজতো জতুৱা ঠাঁচ বিৰিঙি উঠাটো লক্ষ্যণীয়। ই নিভাঁজ অসমীয়া ভাষাৰ চানেকি নহয়, তৎসত্ত্বেও শঙ্কৰদেৱৰ কুশলহস্তৰ বাবে সংস্কৃত ভাৰাক্ৰান্ত অঙ্কীয়া গদ্যই কথ্য ভঙ্গিমাৰ ৰূপ পৰিগ্ৰহ কৰিছে। এই সন্দৰ্ভত বিৰিঞ্চি কুমাৰ বৰুৱাৰ উদাহৰণসহ এনে ধৰণৰ– "অঙ্কীয়া নাটৰ গদ্যত কথ্য ভাষাৰীতিৰো পৰিচয় আছে। কথা ভঙ্গিমাৰ লগত ৰজিতা খুৱাই সাধাৰণ প্ৰচলিত শব্দ, খণ্ডবাক্য, উপমা, আদি অলঙ্কাৰ ব্যৱহাৰ কৰা হৈছে।" ঘৰুৱা অসমীয়া উপমাৰ চানেকি স্বৰূপে কেইটিমান তুলি দিয়া হ'ল– "কাচক চাহিতে মানি হৰায়; ঘৈচে কলস ভাগল; কদলিক বাতে উপাৰল [ৰুক্মিণীহৰণ]; যৈচে শিশিৰ পৰি পদ্ম সঙ্কোচিত ভেল; যৈচন বনাগ্নি বৃষ্টি জলে নিৰ্বাণ ভেল [কালিদমন]; যৈচে সিংহক আগু বালক হৰিণ।" [ৰাম বিজয়]

ওপৰত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ উপৰি বৰুৱাই ব্ৰজাৱলী আৰ্হিৰ অসমীয়া নাটৰ গদ্যত প্ৰাকৃতৰ চাব পৰা বুলি উল্লেখ কৰিছে। বিভক্তি আৰু কাৰকৰ ব্যৱহাৰৰ ক্ষেত্ৰত অসমীয়া ব্যাকৰণ সূত্ৰৰ অনুসৰণ এই গদ্যৰ মন কৰিবলগীয়া দিশ। সৰ্বনামৰ বিভক্তিযুক্ত আৰু বিভক্তিহীন দুয়োটা ৰূপেই আছে, ঠিক তেনেদৰে ধাতুৰ মৌলিক আৰু যৌগিক উভয় ৰূপেই বাক্যসমূহত ক্ৰিয়াশীল হৈ থকা দেখা যায়।

অঙ্কীয়া নাটৰ গদ্যই অসমীয়া গদ্য-সাহিত্যৰ এটি দীঘল পৰিক্ৰমাক সামৰে। শঙ্কৰদেৱৰ অঙ্কীয়া নাটত গদ্যৰীতি মাধৱদেৱৰ নাটতো বিদ্যমান; অৱশ্যে মাধৱদেৱৰ গদ্যই কিঞ্চিৎ ফালৰি কাটি আহি বেছি ঘৰুৱা ৰূপ পৰিগ্ৰহ কৰিছে। পিচৰ কালৰ যিসকল নাট্যকাৰে এই গদ্যৰীতিৰ প্ৰয়োগ কৰিছিল, তেওঁলোকে স্বাভাৱিকতা অক্ষুণ্ণ ৰাখিলেও ভালেমান ক্ষেত্ৰত শিথিলতা দেখুৱাইছিল। সি যি কি নহওক, যিসময়ত সাহিত্য চৰ্চাৰ মাধ্যম পদ ৰচনাতে মাত্ৰ সীমাবদ্ধ হৈ আছিল, সেই সময়তে কথা ৰূপক নাইকিয়া গদ্য ৰূপে ব্যৱহাৰ কৰি মহাপুৰুষজনাই একপ্ৰকাৰ অসাধ্য সাধন কৰিছিল। সেই অৰ্থতে অঙ্কীয়া নাটৰ গদ্যৰীতি অসমীয়া গদ্যৰ প্ৰথম আৰ্হিৰূপে পৰিগণিত হৈ ৰ'ব।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে ভাৰতীয় আৰ্যভাষাসমূহৰ ভিতৰত অসমীয়াতে প্ৰথম পদ্যৰ ব্যৱহাৰ হৈছিল। বাংলা গদ্যতকৈও ই প্ৰাচীন, কাৰণ প্ৰাপ্ত তথ্যমতে প্ৰতিবেশী ৰাজ্যখনত ১৬৮১-৮২ খ্ৰীষ্টাব্দৰ ভিতৰতহে বৈষ্ণৱ সন্তসকলৰ 'কড়চা' পুথিৰ ৰচনাৰ মাধ্যম, গদ্যৰ প্ৰকাশ ঘটে। হিন্দী ভাষাৰ গদ্যৰূপ তাতকৈ আগৰ। কিন্তু তাৰো আগতেই অসমীয়া গদ্যই আত্মপ্ৰকাশ কৰি প্ৰথমতে মৌলিক স্তৰত, পিছলৈ লিখিত পৰম্পৰাত প্ৰবৰ্তিত হৈ থাকে।

স্বাভাৱিকতে অসমীয়া গদ্যৰ প্ৰথমাৱস্থাৰ নিদৰ্শন হোৱা কাৰণে ইবোৰত আজিৰ গদ্যৰ তুলনাত জুখিব পৰা পৰিশীলিত আৰু পৰিশুদ্ধ ৰূপ এটি পোৱা নাযায়। তৎসত্ত্বেও ভাব প্ৰকাশৰ মাধ্যম ৰূপে আৰু পিছলৈ লিখিত ৰূপে এই যুগৰ গদ্যই অসমীয়া ভাষাটোকে এক নিটোল ৰূপ দিবলৈ সমৰ্থ হৈছিল। ভট্টদেৱৰ গদ্যৰ মাজেদি এই ৰূপটিৰ যথাৰ্থ বিকাশ ঘটে আৰু পিছলৈ বুৰঞ্জীৰ গদ্য, ব্যৱহাৰিক পুথিৰ গদ্য, চৰিতপুথিৰ গদ্য বুলি নামাঙ্কিত কৰিব পৰা গদ্যৰ সুকীয়া সুকীয়া ৰূপৰ সৃষ্টি হয়। আপুনি এই অধ্যায়টিৰ অধ্যয়নৰ দ্বাৰা এইখিনি কথা অৱগত কৰাৰ অন্তত পৰৱৰ্তী অধ্যায়ত ভট্টদেৱৰ গদ্যৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৮: অঙ্কীয়া নাটৰ গদ্যত সংস্কৃতৰ প্ৰভাৱ কেনেদৰে দেখা যায়?

.....

প্ৰশ্ন নং ১৯ : অসমীয়া গদ্য-সাহিত্যৰ ইতিহাসত অঙ্কীয়া নাটৰ গদ্যৰ গুৰুত্ব কি?

.....

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ পৰা আপুনি অসমীয়া গদ্য সম্বন্ধে এটি সাধাৰণ ধাৰণা ল'ব পাৰিলে। লগতে এই কথাও আপুনি জানিব পাৰিলে যে অসমীয়া গদ্যই আৰম্ভণিৰ ফালৰ পৰা বৰ্তমানলৈ কেইটিমান স্তৰ পৰিক্ৰমাৰ মাজেৰে আহি সাম্প্ৰতিক অৱস্থাপ্ৰাপ্ত হৈছে।
- অধ্যায়টিৰ প্ৰথম ভাগত থকা গদ্যৰ অৱধাৰণাৰে কৰা গদ্যৰ ব্যুৎপত্তিগত অৰ্থ, সংজ্ঞা, স্বৰূপ আৰু প্ৰকাৰভেদ সম্বন্ধে জানিব পাৰিলে।
- বহুতৰ মনত এনে ধাৰণা বদ্ধমূল হৈ আছে যে ভট্টদেৱৰ হাততহে প্ৰকৃত অসমীয়া গদ্যৰ শুভাৰম্ভণ হয়। আপোনাৰ অধ্যয়নৰ বাবে যুগুতোৱা পাঠটিত 'অসমীয়া গদ্য সাহিত্যৰ প্ৰাৰম্ভিক স্বৰূপ' শিতানত এনে ধাৰণাৰে ৰচিত লোক-সাহিত্যৰ অন্তৰ্গত মন্ত্ৰ-সাহিত্যৰ কথাত অসমীয়া গদ্যৰ প্ৰথমাৱস্থাৰ নিদৰ্শন আছে বুলি প্ৰতিপন্ন কৰাৰ কথা আপুনি জানিব পাৰিলে।
- আপোনাৰ অধ্যয়নৰ বাবে যুগুতোৱা পাঠটিত মন্ত্ৰপুথিত গদ্যৰ বৈশিষ্ট্যসমূহৰ কথা উদাহৰণসহ উল্লেখ কৰা হৈছে। এই পাঠ্যাংশৰ পৰা আপুনি মন্ত্ৰপুথিৰ গদ্যৰ প্ৰকৃত ৰেহ-ৰূপৰ বিষয়েও জানিব পাৰিলে।
- আপোনাৰ অধ্যয়নৰ অন্তৰ্গত এই পাঠটিৰ দ্বিতীয় অংশত অঙ্কীয়া নাটৰ গদ্যৰ আলোচনা কৰোঁতে শঙ্কৰদেৱৰ সাহিত্য সৃষ্টিৰ অন্যতম বৰগীতত ব্যৱহাৰ কৰা ভাষাটিৰ বিষয়েও জানিব পাৰিলে।
- অধ্যায়টিত সংযোগ কৰি দিয়া ব্ৰজাৱলী ভাষাটিৰ বিষয়ে পণ্ডিতসকলৰ মাজত থকা ভিন্ ভিন্ মতবোৰৰ ভিত্তিত এই ভাষাৰ স্বকীয়তা সম্বন্ধে আপুনি জানিব পাৰিলে।
- অধ্যায়টিত থকা মন্ত্ৰসাহিত্যৰ গদ্যৰীতি আৰু অঙ্কীয়া নাটৰ গদ্য ৰীতিৰ ব্যৱধানত পাৰ্থক্যৰ বিষয়ে আপুনি অৱগত হ'ব পাৰিলে। লগতে এই কথাও আপুনি জানিব পাৰিলে যে মন্ত্ৰ-সাহিত্যৰ গদ্যৰ নিদৰ্শন থকা সত্ত্বেও শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ গদ্যত ইয়াৰ ধনিষ্ঠমানো প্ৰভাৱ নাই।
- অঙ্কীয়া নাটৰ গদ্যৰ স্বৰূপ সম্বন্ধেও আপুনি এই অধ্যায়টিৰ পৰা জানিব পাৰিলে। এই গদ্যৰ বৈশিষ্ট্যসমূহ কেনেদৰে নিৰ্বাচন কৰিব পাৰি আৰু তেনে বৈশিষ্ট্যৰ সাধাৰণ অসমীয়া গদ্যৰ পৰৱৰ্তী ধাৰাৰ বিকাশ কেনেদৰে হ'ল সেই বিষয়েও ধাৰণা কৰিব পাৰিলে।

১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থঃ

কটকী, প্ৰফুল্ল (১৯৯৯); *ক্ৰমবিকাশত অসমীয়া কথাশৈলী*; গুৱাহাটীঃ বীণা লাইব্ৰেৰী।

কোঁৱৰ, অৰ্পণা (২০০৪); *প্ৰাচীন অসমীয়া গদ্যশৈলী*; ডিব্ৰুগড়ঃ বনলতা।

নেওগ, ডিম্বেশ্বৰ (১৯৫৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী*; গুৱাহাটীঃ শুৱনী প্ৰকাশ।

নেওগ, মহেশ্বৰ (১৯৬০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটীঃ লয়ার্ছ বুক ষ্টল।

ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙণি* (প্ৰথম প্ৰকাশ); গুৱাহাটীঃ বনলতা।

বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৭); *অসমীয়া কথা সাহিত্য*; নলবাৰীঃ জাৰ্ণাল এম্প'ৰিয়াম।

বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমীয়া ভাষা আৰু সংস্কৃতি* (পঞ্চম সংস্কৰণ); নলবাৰীঃ জাৰ্ণাল এম্প'ৰিয়াম।

ভূঞা, স্মৃতিৰেখা (২০১২); *অসমীয়া গদ্যৰীতি* [জোনাকীৰ পৰা ৰামধেনুলৈ]; গুৱাহাটীঃ আঁক-বাক।

শৰ্মা, সত্যেন্দ্ৰনাথ (২০১৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটীঃ সৌমাৰ প্ৰকাশ।

শৰ্মা, সত্যেন্দ্ৰনাথ (২০৬২); *অসমীয়া নাট্য সাহিত্য*; গুৱাহাটীঃ নিউ বুক ষ্টল।

শৰ্মাদলৈ, হৰিনাথ (২০১৩); *অসমীয়া গদ্যসাহিত্যৰ গতিপথ*; নলবাৰীঃ পদ্মাপ্ৰিয়া লাইব্ৰেৰী।

অন্যান্য প্ৰাসঙ্গিক গ্ৰন্থঃ

মেধি, কালিৰাম (সম্পা.) (১৯৫০); *অঙ্কাৱলী*; গুৱাহাটী।

বৰুৱা, বিৰিঞ্চি কুমাৰ (সম্পা.) (১৯৫৪); *অঙ্কীয়া নাট*; গুৱাহাটী।

বিশ্বনাথ কবিৰাজ (১৮৬৭ শক) *সাহিত্য দৰ্পন*; কলকাতা।

ইংৰাজী গ্ৰন্থঃ

Boulton, Marjorie: The Anatomy of Prose; New Delhi: Kalyani Publishers.

Chatterji, S. N. (1955) : In Place of Assam in the History and Civilisation of Assam; Gauhati, Assam.

Hudson, W. H. (1988) : An Introduction to the Study of Literature; Ludhiana: Kalyani Publishers.

Read, Herbert (1988) : English Prose Style; New Delhi: Kalyani Publishers.

K ১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ : গদ্য হৈছে মানৱৰ ভাব, অনুভূতি, চিন্তা আৰু মনন প্ৰকাশৰ এক শক্তিশালী মাধ্যম। ই সাধাৰণতে ছন্দ, অন্ত্যমিল বা মাত্ৰাৰ বন্ধনত আবদ্ধ নাথাকে। কথিত বা লিখিত ভাষাৰ স্বাভাৱিক ৰূপতেই গদ্য প্ৰকাশ পায়।

২ নং প্ৰশ্নৰ উত্তৰ : পদ্য সাধাৰণতে ছন্দোবদ্ধ আৰু মাত্ৰাযুক্ত ৰচনা, য'ত ধ্বনি-সাম্য, অলংকাৰ আৰু সংগীতময়তা থাকে। আনহাতে গদ্য ছন্দৰ বন্ধনত আবদ্ধ নহয় আৰু ই মূলতঃ চিন্তা, তথ্য আৰু অনুভূতি সহজ-সৰলভাৱে প্ৰকাশ কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ : সংস্কৃত আলংকাৰিকসকলে গদ্যক চাৰি ভাগত বিভক্ত কৰিছে— মুক্তক গদ্য, বৃত্তগন্ধী গদ্য, উৎকলিকাপ্ৰায় গদ্য আৰু চূৰ্ণক গদ্য। এই বিভাজন মূলতঃ গদ্যৰ গঠন আৰু ভাষাশৈলীৰ ওপৰত ভিত্তি কৰি কৰা হৈছে।

৪ নং প্ৰশ্নৰ উত্তৰ : Marjorie Boulton-এ গুণ আৰু ধৰ্মৰ ভিত্তিত গদ্যক পাঁচ ভাগত বিভক্ত কৰিছে— বিৱৰণাত্মক (Narrative), যুক্তিনিষ্ঠ (Argumentative), নাটকীয়

(Dramatic), সংবাদজ্ঞাপক (Informative) আৰু চিন্তামূলক (Contemplative) গদ্য।

৫ নং প্ৰশ্নৰ উত্তৰ : অধ্যাপক প্ৰফুল্ল কটকীয়ে গদ্যক মৌলিক প্ৰকৃতিৰ ভিত্তিত তিনিটা ভাগত বিভক্ত কৰিছে— বিবৃতিমূলক গদ্য, সমালোচনাত্মক বা চিন্তাশীল গদ্য আৰু ৰসাশ্ৰয়ী বা ৰসসিক্ত গদ্য। এই বিভাজনে গদ্যৰ বিষয়বস্তু আৰু প্ৰকাশভংগীৰ পাৰ্থক্য স্পষ্ট কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ : অসমীয়া গদ্য-সাহিত্যৰ প্ৰাচীন নিদৰ্শন হিচাপে মন্ত্ৰপুথিৰ গদ্য আৰু মহাপুৰুষ শঙ্কৰদেৱে আৰিষ্কাৰ কৰা অঙ্কীয়া নাটৰ গদ্যৰ কথা উল্লেখ কৰিব পাৰি। এই দুয়োটাই অসমীয়া গদ্যৰ প্ৰাৰম্ভিক বিকাশৰ সাক্ষ্য বহন কৰে।

৭ নং প্ৰশ্নৰ উত্তৰ : মন্ত্ৰ সাহিত্য মৌখিক সাহিত্যৰ এক বিশেষ শাখা। ই মূলতঃ মন্ত্ৰপুথি আৰু মুখে মুখে চলি অহা মন্ত্ৰসমূহৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। এই সাহিত্যত তন্ত্ৰ, যাদু আৰু বিভিন্ন লোকবিশ্বাসৰ প্ৰভাৱ দেখা যায়।

৮ নং প্ৰশ্নৰ উত্তৰ : বেজ-বেজালি আৰু তন্ত্ৰ-মন্ত্ৰত বিশ্বাসী লোকসকলে গোপনীয়তা ৰক্ষাৰ স্বাৰ্থত মন্ত্ৰপুথিবোৰ আছুতীয়াকৈ সংৰক্ষণ কৰিছিল। ফলত এই সাহিত্যৰ বহু অংশ সময়ৰ সোঁতত হেৰাই গ'লেও কিছু অংশ সংৰক্ষিত হৈ থাকিল।

৯ নং প্ৰশ্নৰ উত্তৰ : কৰতী পুথিৰ মন্ত্ৰক পানীকটা মন্ত্ৰ বুলিও কোৱা হৈছিল। পণ্ডিতসকলে এই মন্ত্ৰৰ সৈতে অথৰ্ববেদৰ সূক্তসমূহৰ সম্পৰ্ক বিচাৰি পাইছে।

১০ নং প্ৰশ্নৰ উত্তৰ : ধাৰণী মন্ত্ৰক ধৰণী মন্ত্ৰ বা ধৰণী ধৰা মন্ত্ৰ বুলিও কোৱা হৈছিল। ই মূলতঃ সাপৰ মন্ত্ৰ আছিল আৰু লোকবিশ্বাস অনুসৰি বিপদ-আপদ দূৰ কৰিবলৈ ইয়াৰ ব্যৱহাৰ কৰা হৈছিল।

১১ নং প্ৰশ্নৰ উত্তৰ : মন্ত্ৰ-সাহিত্যত 'ওঁ', 'হ্ৰীং', 'ক্ৰোং', 'ফট' আদি আচহুৱা শব্দ বা ধ্বনিৰ প্ৰয়োগ কৰা হৈছিল। এই ধ্বনিসমূহে এক যাদুকৰী আৰু ৰহস্যময় পৰিৱেশ সৃষ্টি কৰিছিল। লগতে মন্ত্ৰৰ গুপ্তাৰ্থ আৰু ঐন্দ্ৰজালিক শক্তিৰ ধাৰণাকো অধিক শক্তিশালী কৰি তুলিছিল।

১২ নং প্ৰশ্নৰ উত্তৰ : মন্ত্ৰপুথিৰ গদ্যত সুসংগঠিত আৰু ব্যাকৰণসম্মত বাক্যৰীতিৰ অভাৱ দেখা যায়। বহু মন্ত্ৰ ক্ৰিয়াবিহীন, দুৰ্বোধ্য শব্দ আৰু অস্পষ্ট বাক্যাংশৰ সমষ্টিমাত্ৰ। ফলত ইয়াত গদ্যৰ মূল গুণ— যুক্তিসংলগ্নভাৱে ভাব প্ৰকাশৰ ক্ষমতা— সম্পূৰ্ণৰূপে বিকশিত হোৱা দেখা নাযায়।

১৩ নং প্ৰশ্নৰ উত্তৰ : অঙ্কীয়া নাট মহাপুৰুষ শঙ্কৰদেৱে ৰচনা কৰা এক বিশেষ নাট্যধাৰা। একশৰণীয়া নামধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে তেওঁ এই নাটসমূহ ৰচনা কৰিছিল। অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ইতিহাসত অঙ্কীয়া নাটৰ বিশেষ স্থান আছে।

১৪ নং প্ৰশ্নৰ উত্তৰ : শঙ্কৰদেৱে ৰচনা কৰা ছখন অঙ্কীয়া নাট হৈছে— পত্নীপ্ৰসাদ, কালিদমন, কেলিগোপাল, পাৰিজাত হৰণ, ৰুক্মিণী হৰণ আৰু ৰামবিজয়। এই নাটসমূহৰ জৰিয়তে তেওঁ বৈষ্ণৱ ধৰ্মৰ আদৰ্শ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল।

১৫ নং প্ৰশ্নৰ উত্তৰ : অঙ্কীয়া নাটৰ মূল উদ্দেশ্য আছিল ভাগৱত-আধাৰিত কৃষ্ণভক্তিমূলক একশৰণীয়া নামধৰ্ম জনসাধাৰণৰ মাজত সহজ আৰু মনোৰমভাৱে প্ৰচাৰ কৰা। গীত, অভিনয় আৰু সংলাপৰ সহায়ত শঙ্কৰদেৱে ধৰ্মীয় শিক্ষা মানুহৰ ওচৰলৈ লৈ গৈছিল।

১৬ নং প্ৰশ্নৰ উত্তৰ : অঙ্কীয়া নাটত ব্যৱহৃত ভাষাটোৰ নাম ব্ৰজাৱলী বা ব্ৰজবুলি। শঙ্কৰদেৱে নাটসমূহত সাধাৰণ অসমীয়া ভাষাৰ পৰিৱৰ্তে এই বিশেষ সাহিত্যিক ভাষাৰ ব্যৱহাৰ কৰিছিল, যাৰ ফলত নাটসমূহ অধিক আকৰ্ষণীয় আৰু মনোগ্ৰাহী হৈ উঠিছিল।

১৭ নং প্ৰশ্নৰ উত্তৰ : কালিৰাম মেধিৰ মতে, অশিক্ষিত পুৰুষ আৰু নাৰীসকলেও যাতে নাটৰ বিষয়বস্তু সহজে বুজিব পাৰে, সেই উদ্দেশ্যে অঙ্কীয়া নাটত সহজ-সৰল ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰা হৈছিল। এই ভাষাই নাটসমূহক জনসাধাৰণৰ মাজত অধিক গ্ৰহণযোগ্য কৰি তুলিছিল।

১৮ নং প্ৰশ্নৰ উত্তৰ : অঙ্কীয়া নাটসমূহ সংস্কৃত নাটকৰ আৰ্হিত ৰচিত হোৱা বাবে ইয়াত সংস্কৃত ভাষা আৰু তৎসম শব্দৰ প্ৰভাৱ স্পষ্ট। নান্দী শ্লোকসমূহ সংস্কৃতত ৰচিত আৰু 'অপিচ', 'পুনঃ', 'সূত্ৰধাৰঃ' আদি সংস্কৃত শব্দৰ বহুল প্ৰয়োগ দেখা যায়।

১৯ নং প্ৰশ্নৰ উত্তৰ : অঙ্কীয়া নাটৰ গদ্যক অসমীয়া গদ্যৰ প্ৰথম সুসংগঠিত লিখিত ৰূপ বুলি গণ্য কৰা হয়। সাহিত্যচৰ্চা যেতিয়া মূলতঃ পদ্যকেন্দ্ৰিক আছিল, তেতিয়া শঙ্কৰদেৱে গদ্যৰ সফল প্ৰয়োগ কৰি অসমীয়া গদ্য-সাহিত্যৰ ভেটি স্থাপন কৰিছিল।

M ১.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ : তলত দিয়া প্ৰসমূহৰ উত্তৰ লিখক।

ক) Herbert Read-ৰ মতে গদ্য কি ?

খ) 'Poetry is creative expression, prose is constructive expression' — এই মন্তব্যটো কাৰ ?

গ) 'Narrative' গদ্য বুলিলে কি বুজায় ?

ঘ) 'কালিয়দমন' নাটখনৰ ৰচক কোন ?

ঙ) 'অসমীয়া ব্ৰজবুলি' ভাষাৰ গঠন সম্পৰ্কে মত প্ৰকাশ কৰা পণ্ডিতজন কোন ?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : Herbert Read-এ গদ্য আৰু পদ্যৰ মাজৰ পাৰ্থক্য কেনেদৰে ব্যাখ্যা কৰিছে ?

প্ৰশ্ন ২ : প্ৰকাশভংগীৰ ভিত্তিত গদ্যক কি কি ভাগত বিভক্ত কৰা হয় ?

প্ৰশ্ন ৩ : কৰতী পুথি আৰু ধাৰণী মন্ত্ৰৰ বিষয়ে চমুকৈ লিখা।

প্ৰশ্ন ৪ : মন্ত্ৰ-সাহিত্যত 'ওঁ', 'স্বাহা', 'হ্ৰীং', 'ফট' আদি ধ্বনিৰ ব্যৱহাৰৰ উদ্দেশ্য কি ?

প্ৰশ্ন ৫ : অঙ্কীয়া নাটৰ গদ্যত সংস্কৃত আৰু কথ্য অসমীয়া ভাষাৰ সমন্বয় কেনেদৰে ঘটিছে ?

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : গদ্য আৰু পদ্যৰ মাজত থকা মৌলিক পার্থক্যসমূহ আলোচনা কৰা।

প্রশ্ন ২ : অসমীয়া মন্ত্র-সাহিত্যৰ উৎপত্তি, বিকাশ আৰু বিষয়বস্তু সম্পর্কে আলোচনা কৰা।

প্রশ্ন ৩ : মন্ত্র-সাহিত্যৰ গদ্যৰ ভাষাগত আৰু শৈলীগত বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰা।

প্রশ্ন ৪ : ব্রজাৱলী ভাষাৰ উৎস সম্পর্কে বিভিন্ন পণ্ডিতৰ মতামত আলোচনা কৰা।

প্রশ্ন ৫ : অসমীয়া গদ্য-সাহিত্যৰ ইতিহাসত মন্ত্র-সাহিত্য আৰু অঙ্কীয়া নাটৰ গদ্যৰ তুলনামূলক আলোচনা আগবঢ়োৱা।
